**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৫৮৪/২০১৯**

# বিশিষ্ট সাংবাদিক নৰেশ মিত্ৰৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ৯ ডিচেম্বৰ ঃ** বিশিষ্ট সাংবাদিক নৰেশ মিত্ৰৰ বিয়োগত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে গভীৰ শোক প্ৰকাশ কৰিছে।

এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱন কালত প্ৰয়াত নৰেশ মিত্ৰই ৰাজ্যৰ সংবাদ জগতলৈ যি অৱদান আগবঢ়াই গৈছে সেয়া সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিব। অসমৰ আৰ্থ-সামাজিক, ৰাজনৈতিক আৰু সমসাময়িক ঘটনা প্ৰৱাহ পৰিৱেশন কৰি অসমক ৰাষ্ট্ৰীয় পৰ্যায়ত তুলি ধৰাৰ জৰিয়তে নৰেশ মিত্ৰই নিজৰ দক্ষতা প্ৰকাশ কৰি গৈছে। এই গৰাকী বিশিষ্ট সাংবাদিকৰ বিয়োগ আমাৰ সংবাদ ক্ষেত্ৰ তথা সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে বিশিষ্ট সাংবাদিক গৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়াল বৰ্গলৈও গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে বিশিষ্ট সাংবাদিক নৰেশ মিত্ৰৰ বিয়োগত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়েও গভীৰ শোক প্ৰকাশ কৰিছে।

এক শোকবাৰ্তাত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা গৰাকীয়ে প্ৰয়াত নৰেশ মিত্ৰই সংবাদ ক্ষেত্ৰখনলৈ যি অৱদান আগবঢ়াই গ'ল সেয়া শ্ৰদ্ধাৰে স্মৰণ কৰাৰ উপৰি তেখেতৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও কয়।

মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা গৰাকীয়ে বিশিষ্ট সাংবাদিক গৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়াল বৰ্গলৈও গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / বঃভাঃ**
**৯/১২/২০১৯**